জনসংযোগ, অসম　　　　　　　　　　　　　　　　　　　　　　　　　　　　প্ৰেছ বাৰ্ত্তা

# গুৱাহাটীৰ ভৰলুমুখত আদৰণি তোৰণ আৰু পদ অধিসেতু মুখ্য মন্ত্ৰীৰ দ্বাৰা উদ্বোধন

দিছপুৰ, ৪ ছেপ্টেম্বৰ ঃ মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে আজি মহানগৰৰ ভৰলুমুখত ৭০ লাখ টকাৰে নিৰ্মাণ কৰা আদৰণি তোৰণ আৰু পদ অধিসেতু খন আনুষ্ঠানিক বাবে শুভ উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্য মন্ত্ৰীয়ে কয় যে নৱনিৰ্মিত এই সেতুখনে যান-য'টৰ সমস্যা দূৰিকৰণ তথা পথচাৰী সকলৰ নিৰাপদ যাতায়ত সুনিশ্চিত কৰাৰ লগতে মহানগৰী খনৰ সৌন্দৰ্য্য বৰ্দ্ধনত অৰিহণা যোগাব। মুখ্য মন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে শিক্ষা-সংস্কৃতি-ক্ৰীড়া-পৰ্যটন আদি সকলো সা-সুবিধাৰে গুৱাহাটীক এখন উচ্চ মানদণ্ডৰ আগশাৰীৰ মহানগৰী হিচাপে গঢ়ি তুলিব বিচাৰিছে। তেওঁ কয় যে মহানগৰী খনত ইতিমধ্যে বৃহৎ খোৱাপানী যোগান আচনি, নলা-নৰ্দমা, বাট-পথ, জল নিষ্কাষণ আদি বিভিন্ন আচনি ৰূপায়ণৰ কাম হাতত লোৱা হৈছে। মহানগৰী খনত পাৰিপাৰ্শ্বিকতা সুৰক্ষাৰ বাবে ব্যাপক গছ-গছনি ৰূপণ, পাহাৰত মাটি খন্দা আৰু বেদখল প্ৰতিৰোধৰ বাবে চৰকাৰে লোৱা ব্যৱস্থাৰ কথা তেওঁ উল্লেখ কৰে। মহানগৰীখনত সিঁচৰিত হৈ থকা বিভিন্ন চৰকাৰী বিভাগৰ কাৰ্যালয় সমূহ মহানগৰীৰ নিকটবৰ্ত্তী চন্দ্ৰপুৰলৈ স্থানান্তৰ কৰাৰ বাবে চৰকাৰে প্ৰচেষ্টা হাতত লোৱৰ কথা তেওঁ সদৰি কৰে। মুখ্য মন্ত্ৰীয়ে মহানগৰীৰ উপকণ্ঠ অঞ্চলত সৰু সৰু নগৰ স্থাপনত চৰকাৰে গুৰুত্ব দিব বুলি কয়।

অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে গুৱাহাটী উন্নয়ন বিভাগে মহানগৰী খনত অতিৰিক্ত আৰু তিনিখন পদ অধিসেতু ক্ৰমে - লাচিত নগৰ, ফাঁচী বজাৰ আৰু মালিগাঁৱত নিৰ্মাণ কৰা হ'ব। তদুপৰি গড়কাপ্তানি বিভাগেও মহানগৰীখনত ৬ খন পদ অধিসেতু নিৰ্মাণ কৰিব বুলি তেওঁ কয়। মন্ত্ৰী শৰ্মাই কয় যে পানবজাৰত থকা অসম পাঠ্যপুথি প্ৰকাশন বোৰ্ডৰ মাটি ডোখৰত বোৰ্ডৰ এটা বহুমহলীয়া ভৱন আৰু ৭ শ গাড়ী ৰাখিব এটা কাৰ পাৰ্কিং প্ৰকল্প নিৰ্মাণৰ কাম চলিত মাহৰ পৰা আৰম্ভ হ'ব। মন্ত্ৰী শৰ্মাই লগতে কয় যে গুৱাহাটী ক্লাৱৰ আমবাৰীত থকা ৰেলৱে মাটিত অসম চৰকাৰে এটা ৰটাৰী নিৰ্মাণ কৰিব আৰু মাটি ডোখৰৰ বাবদ ৰাজ্য চৰকাৰে ৰেলৱেক ৫ কোটি টকা আদায় দিব। ৰটাৰীটোৰ নিৰ্মাণ অহা ডিচেম্বৰত সম্পূৰ্ণ হ'ব বুলি তেওঁ কয়। মহানগৰীত কৃত্ৰিম বানপানী প্ৰতিৰোধৰ বাবে ভৰলু নৈৰ অতিৰিক্ত পানী ভাগ শিলশাকুত পেলোৱাৰ বাবে এখন আচনি লোৱা হৈছে আৰু ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে এশ কোটি টকা মঞ্জুৰ কৰিছে বুলি মন্ত্ৰী শৰ্মাই সদৰি কৰে। মহানগৰী পশ্চিম গুৱাহাটী আৰু জালুকবাৰীত ২৪ ঘণ্টাই পানী যোগানৰ বাবে ৩৮০ কোটি টকাৰ পানীৰ যোগান প্ৰকল্পৰ আচনি লোৱা হৈছে আৰু এই আচনিৰ কাম ২০১০ চনৰ ডিচেম্বৰত সম্পূৰ্ণ হ'ব বুলি তেওঁ কয়। সেইদৰে পূব গুৱাহাটীৰ দিছপুৰ অঞ্চলৰ বাবেও অনুৰূপ পানী যোগান প্ৰকল্পৰ বাবে জাপান বেংকৰ পৰা ১২ কোটি টকা লাভ কৰা হৈছে আৰু ২০১০ চনত এই প্ৰকল্পৰ কাম আৰম্ভ হ'ব বুলি তেওঁ কয়। তেওঁ কয় যে মহানগৰীৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰ, অভিযান্ত্ৰিক মহাবিদ্যালয় খেলপথাৰ, সোণাৰাম খেল পথাৰ আৰু লতাশীল খেল পথাৰত ফ্লাড লাইটৰ ব্যৱস্থা কৰা হ'ব।

অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ শীৰ্ষ বিষয়া, কামৰূপৰ উপায়ুক্ত, চেভ গুৱাহাটী-বিল্ড গুৱাহাটীৰ বিষয়ববীয়া আদি সকল উপস্থিত থাকে।

ছঃনি/ইঃহুঃহা
০৪-০৯-০৯